নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু ৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

...৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ৫১ বৃহস্পতিবাৰ ১৬ পুহ ১৯৪৭ শক ১ জানুৱাৰী ২০২৬ চন ASOMIYA KHABAR JORHAT THUR...


...ৱাল, কাৰ্যবাহী বিষয়া সিন্ধু ...া, প্ৰাঞ্জল গগৈ, উজ্জ্বল পাও, ত্ৰিদীপজ্যোতি বৰা, পবিত্ৰ ...া, সুশান্ত বৰবৰা উপস্থিত ...লখিকা, শিল্পী পেঞ্চনপ্ৰাপক ...হৃত থকাৰ লগতে বিভিন্ন ...ৰামৰ্শৰে আগবাঢ়ি যোৱাত ...গীৰাংগ বৰদলৈয়ে। ইয়াতে ...জোৰাৰ, বংশীধৰ ভূমিজ, ...মাহলি, ৰামেশ্বৰ ভূমিজ, ...মিজ, লিলি ভূমিজ আৰু ... সম্বৰ্ধনা জনায়।

## কানৈ কলেজৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত কৃষক প্ৰশিক্ষণ

**ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড, ৩১ ডিচেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ উদ্যোগত ৩০ ডিচেম্বৰত ডিব্ৰুগড় জিলাৰ খোৱাং অঞ্চলৰ আহোম গাঁৱত 'চাইট্ৰাছ অৱশিষ্টৰ সম্ভাব্য উদ্যোগিক আৰু পৰিৱেশগত প্ৰয়োগৰ লগতে মূল্য সংযোজিত সামগ্ৰীত উৎপাদন' বিষয়ত এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। বৈজ্ঞানিক পদ্ধতিৰে কাজি নেমু, ৰবাব টেঙা, ঔ-টেঙাৰ উপৰি অসমৰ থলুৱা ফল-মূলসমূহ অধিক উৎপাদনৰ সময়ত কিদৰে সংৰক্ষণ কৰিব পাৰি এই বিষয়ত মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি কেন্দ্ৰৰ গৱেষিকা মধুস্মিতা কোঁৱৰে উদ্দেশ্য ব্যক্ত কৰি অনুষ্ঠানৰ আৰম্ভণি কৰে। কৰ্মশালাত সমল ব্যক্তি হিচাপে অসম কৃষি বিজ্ঞান কেন্দ্ৰ, ডিব্ৰুগড়ৰ গাৰ্হস্থ্য বিজ্ঞান বিভাগৰ বিশেষজ্ঞ ড° সংগীতা বৰা শইকীয়াই থলুৱা খাদ্যৰ মূল্য সংযোজন কৰি আৰ্থিকভাৱে কৃষকসকলক টনকিয়াল কৰিবলৈ আৰু অসমৰ কাজি নেমু, ৰবাব টেঙা, ঔ-টেঙা আদি অপচয়ৰ পৰা হাত সাৰিবলৈ এদিনীয়া দিনজোৰা প্ৰশিক্ষণ প্ৰদান কৰে। ড° সংগীতা বৰা শইকীয়াই বৈজ্ঞানিক পদ্ধতিত ৰবাব টেঙাৰপৰা স্কোৱাছ, ঔ-টেঙাৰপৰা জেলী, ঔ-টেঙাৰ পাউদাৰৰপৰা কেক্, বিস্কুট প্ৰস্তুত, নেমুৰ বাকলিৰপৰা সুগন্ধি পিঠা প্ৰস্তুত প্ৰণালীৰভিত্তিত প্ৰশিক্ষণ প্ৰদান কৰে বুলি উল্লেখ কৰা হৈছে।